বৰুৱাই কৈছে—“ব’ৰাগী আৰু বীণ বেজবৰুৱাৰ সাৰ্থক সৃষ্টি, প্ৰাচীন বুৰঞ্জীৰ মহত্ত্ব উল্লেখৰ আঁৰে আঁৰে মুখৰ হৈ উঠিছে এক অভাৱৰ চেতনা আৰু নতুন অসমৰ স্বপ্ন।” ‘আমি অসমীয়া নহওঁ দুখীয়া’ গীতৰ ৰূপ দিয়া কবিতাটোত বেজবৰুৱাই অতীত অসমৰ যশকীৰ্তি সুঁৱৰিছে আৰু সেই সময়ৰ অসমৰ লগতে অতীত অসমক তুলনা কৰিছে। ঠিক একেদৰে সেই সময়ৰ অসম আৰু অসমীয়াক কেন্দ্ৰ কৰি কৃপাবৰী বেজবৰুৱাই ৰচনা কৰা ব্যংগাত্মক গীতবোৰৰ যোগেদি অসমীয়াসকলক সংস্কাৰ কৰিবলৈ প্ৰয়াস কৰিছে। তেনে কেইটিমান ধেমেলীয়া গীত হৈছে—‘উঠা একে চিপে অসমীয়া ভাই’ (*আমাৰ কানীয়া সভাৰ এক অধিবেশন*), ‘উঠহে উঠ বোপা অসমীয়া’ (*টোপনি ভাঙনি*), ‘হেৰ অসমীয়া ডেকা’ (*অসমীয়া ডেকাৰ প্ৰতি উপদেশ*) ইত্যাদি।

বেজবৰুৱাদেৱৰ নাটৰ গীতসমূহ সেইসময়ত বিভিন্ন মঞ্চত ৰূপায়ণ কৰোঁতে পৰিৱেশিত হৈছিল যদিও অসমীয়া সাহিত্য-সংস্কৃতিৰ আনজন শ্ৰেষ্ঠ অসমীয়া জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সুৰেহে কেইটিমান গীতক অমৰত্ব প্ৰদান কৰি থৈ গৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাই সেই কথা এনেদৰে কৈছে—“সেই বেজবৰুৱাৰ গীতবোৰেই নিজৰ সতেই নিজৰ ভিতৰত থকা সুৰ অনুযায়ী উলিয়াই আনিলে আৰু সেই বেজবৰুৱাৰ গীতত অসমীয়া সুৰ যোজনা কৰি দিলোঁ। ‘সোণবৰণীয়া কেতেকী ধুনীয়া’ এনে সুন্দৰ অসমীয়া গীতত কেতিয়া অসমীয়া সুৰ লাগিল, সি আৰু ক’ত ৰ’ব পাৰে—উৰি গৈ অসমীয়াৰ ফুলনিয়ে ফুলনিয়ে পৰি তাৰ শুৱলা মাত শুনাবলৈ ধৰিলে।”

অসমৰ সংগীত জগতৰ আন এগৰাকী বাটকটীয়া প্ৰথম অসমীয়া গ্ৰাম’ফোন ৰেকৰ্ড শিল্পী প্ৰফুল্লচন্দ্ৰ বৰুৱাই পোনপ্ৰথম ১৯২৬ চনতে চক্ৰধ্বজ সিংহৰ নাটৰ এই ‘সোণবৰণীয়া’ গীতটো গ্ৰাম’ফোন ৰেকৰ্ডত বাণীবদ্ধ কৰি জ্যোতিপ্ৰসাদৰ সুৰেৰে বেজবৰুৱাৰ গীতটোক স্থায়িত্ব প্ৰদান কৰিলে। উল্লেখযোগ্য যে উমানন্দ দুৱৰাই প্ৰতিষ্ঠা কৰা আমাৰ পৰিয়ালৰ গ্ৰাম’ফোন ৰেকৰ্ড সংগ্ৰহালয়ত আন পাঁচ হাজাৰখন মূল্যবান ৰেকৰ্ডৰ মাজত ১৯২৬ চনত প্ৰফুল্লচন্দ্ৰ বৰুৱাই বাণীবদ্ধ কৰা এই গ্ৰাম’ফোন ৰেকৰ্ডখনো সক্ৰিয় অৱস্থাত সংৰক্ষিত হৈ আছে।

জয়মতী কুঁৱৰী নাটৰ আন তিনিটা গীত ক্ৰমে ‘মই খোপাত পিন্ধিম বিজুলীৰ ফুল’, ‘পৰ্বতৰ টেঁকীয়া লিহিৰী পতীয়া’ আৰু ‘ল’ৰা বুঢ়া কাক কয়’ জ্যোতিপ্ৰসাদ আগৰৱালাই সুৰ দি ১৯৩৫ চনত জয়মতী কথাছবিত সন্নিৱিষ্ট কৰিছিল। ইয়াৰ পাছতে ১৯৩৬ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই বাণীৱদ্ধ কৰা জয়মতী নাটকত এই তিনিটা গীতৰ উপৰিও ‘সখীহে কি ক’মে দুখৰে কথা’ৰ লগতে আন এটা নিচুকনি গীত ‘গা হেলিমেলি কৰিছে’ গ্ৰাম’ফোন ৰেকৰ্ডত বাণীৱদ্ধ কৰে। এই গীতকেইটাত কণ্ঠদান কৰিছিল দহবছৰীয়া শিশু ভূপেন হাজৰিকা আৰু জয়মতী কথাছবিৰ ‘ডালিমী’ স্বৰ্গজ্যোতি বৰুৱাই। ‘সখীহে কি ক’মে দুখৰে কথা’ গীতটিয়েই হৈছে ড° ভূপেন হাজৰিকাৰ জীৱনৰ একক কণ্ঠৰ প্ৰথম বাণীবন্ধন। বেজবৰুৱাৰ মূল নাটৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱালাই নাট্যৰূপ দিয়া ‘জয়মতী’ নাটকখন মুঠ ছখন ৰেকৰ্ডত বাণীৱদ্ধ হৈছিল। গৌৰৱৰ বিষয় এই ছখন ৰেকৰ্ডো সক্ৰিয় অৱস্থাত আমাৰ গ্ৰাম’ফোন ৰেকৰ্ড সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। জ্যোতিপ্ৰসাদ আগৰৱালাই ১৯৪৯ চনত জয়মতী কথাছবিৰ শব্দাংশ উন্নত কৰি দ্বিতীয় সংস্কৰণ প্ৰস্তুত কৰোঁতে আন গীতসমূহৰ লগতে লক্ষ্মীনাথ বেজবৰুৱাৰ উপৰিউক্ত গীতসমূহ মিনতি শৰ্মাৰ কণ্ঠত ৰেকৰ্ডত বাণীবদ্ধ কৰিছিল।

জ্যোতিপ্ৰসাদৰ পাছত বহুদিনলৈকে বেজবৰুৱাৰ আন গীতসমূহ নতুনকৈ বাণীৱদ্ধ হোৱা পৰিলক্ষিত নহ’ল, কেৱল ১৯৩৭ চনত ‘জাতীয় সংগীত’টো বিষ্ণুপ্ৰসাদ ৰাভা, প্ৰিয়বালা ৰাভা আৰু প্ৰফুল্লবালা বৰুৱাৰ কণ্ঠত গ্ৰাম’ফোন ৰেকৰ্ডত বাণীৱদ্ধ হৈছিল।

ইয়াৰ বহুদিনৰ পাছত বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ১৯৬৮ চনত দিলীপ শৰ্মা আৰু ড° ভূপেন হাজৰিকাৰ প্ৰচেষ্টাত বেজবৰুৱাৰ নিৰ্ধাৰিত সুৰৰ আধাৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰত কেইবাটিও গীত বাণীৱদ্ধ হয়। দিলীপ শৰ্মাই সুৰ দি, একক কণ্ঠত কণ্ঠদান কৰা গীতকেইটি আছিল—‘কই যোৱা ডাকোৱাল’, ‘অনন্ত আকাশ মাজে’, ‘আয়ে লুকাই পাৰিলে কণী’। ভূপেন হাজৰিকাৰ একক কণ্ঠত ‘সখীহে কি ক’মে’ আৰু ‘মোৰ একেটি সুৰত’, সুদক্ষিণা শৰ্মাৰ কণ্ঠত ‘তিলকা হেনো তোৰ’, কবিতা হাজৰিকাৰ কণ্ঠত ‘ল’ৰা বুঢ়া কাক কয়’, আৰু সমবেত কণ্ঠত আছিল ‘বৃন্দাবনতে কোনে বাঁহী বায়’, ‘হাতে ঢুকি পোৱা আছিল জোনাই’, ‘হে’ৰা আমাৰ জন্মভূমি’। ড° ভূপেন হাজৰিকাই প্ৰস্তুত কৰা এই ‘গীতিকাৰ লক্ষ্মীনাথ’ সংগীতালেখ্যখনিয়ে বেজবৰুৱাক গীতিকাৰ ৰূপত পুনৰ প্ৰতিষ্ঠা কৰাত যথেষ্ট অৰিহণা যোগায়। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত ড° ভূপেন হাজৰিকাই বেজবৰুৱাৰ আন এটা গীত ‘প্ৰেম প্ৰেম বুলি জগত ঘূৰিলোঁ’ত সুৰ প্ৰদান কৰি বাণীৱদ্ধ কৰে। পাছত এই গীতটো ১৯৭৪ চনত আৰু ‘মোৰ একেটি সুৰ’ গীতটো ১৯৭৬ চনত গ্ৰাম’ফোন ৰেকৰ্ডত বাণীৱদ্ধ কৰি চিৰযুগমীয়া কৰিছিল। ড° ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰাণ পোৱা এই গীত দুটিয়ে আজিও শ্ৰোতাৰ মন জয় কৰি আহিছে। বিবেকানন্দ ভট্টাচাৰ্যৰ সুৰেৰে বন্ধা ‘কই যোৱা ডাকোৱাল’ গীতটিয়েও খগেন মহন্তৰ কণ্ঠত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হয়। খগেন মহন্তৰ কণ্ঠৰ আন এটি গীত হৈছে ‘জহ-জাৰ বাৰিষাৰে’। ১৯৬৯ চনত হেমেন হাজৰিকাৰ সুৰত মৃদুলা দাসৰ কণ্ঠত ‘গা বীণ গা’ গীতটি আৰু নবৈৰ দশকত অনুপম চৌধুৰীৰ প্ৰযোজনাত হাচিনা হাজৰিকা আৰু মনোৰঞ্জন গগৈৰ কণ্ঠতো বেজবৰুৱাৰ তিনিটি গীত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি বাণীৱদ্ধ কৰি প্ৰচাৰ কৰে। ইয়াৰ উপৰিও আকাশবাণী গুৱাহাটী কেন্দ্ৰই বেজবৰুৱাৰ কেইবাটিও গীত সমবেত কণ্ঠত প্ৰচাৰ কৰি আহিছে।

আনহাতে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰতো অসমৰ এজন বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰ হীৰেন গোঁহায়ে বেজবৰুৱাৰ বহুতো গীতত সুৰ সংযোজন কৰি বিভিন্ন শিল্পীৰ কণ্ঠত পৰিৱেশন কৰাইছে। বিশেষকৈ সংগীতা বৰঠাকুৰ আৰু ৰামকৃষ্ণ মুখাৰ্জীৰ দ্বৈত কণ্ঠৰ ‘দূবৰি বনৰ পাতৰ আগত’ গীতটিয়ে প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিছে। আনহাতে বুধিন গগৈ, ৰাজেন গোঁহাইৰ প্ৰযোজনাতো কেইবাটিও গীত বিভিন্ন শিল্পীৰ কণ্ঠত বাণীৱদ্ধ হৈছে।

১৯৯৯ চনত বেজবৰুৱাৰ গীতৰ প্ৰচাৰৰ ক্ষেত্ৰত আন এটা উল্লেখযোগ্য পদক্ষেপ লৈছিল তেজপুৰৰ ‘প্ৰস্তুতি’ গোটে। ‘মোৰ একেটি সুৰত’ নামৰ এই শ্ৰব্য কেছেটটি পৰিচালনা কৰিছিল বিশিষ্ট শিল্পী দিলীপ চৌধুৰীয়ে। জয়মতী কথাছবিৰ গীতকেইটিৰ উপৰিও দিলীপ চৌধুৰীৰ সুৰৰ নতুন তিনিটা গীত ইয়াত সন্নিৱিষ্ট আছিল। ইয়াৰ পাছত ২০০৩ চনত ব্ৰহ্মপুত্ৰ ফিল্মছ এণ্ড প্ৰডাকশ্যনে পুলক বেনাৰ্জীৰ সুৰ সংযোজনাৰে ‘গীতৰ কৰণি’ শীৰ্ষক আঠোটা গীতৰ শ্ৰব্য কেছেটটি শ্ৰোতা ৰাইজক উপহাৰ দিয়ে।

ওপৰত উল্লেখ কৰাৰ উপৰিও মমতা বৰঠাকুৰ, নমিতা ভট্টাচাৰ্য, সান্ত্বনা বৰুৱা, অণিমা চৌধুৰী, শিৱানী বৰুৱা ফুকন, তৰালী শৰ্মা, মধুস্মিতা ভট্টাচাৰ্য, মিতালী দে, উমেশ গগৈ, জিতেন কাকতি, বিজন হাজৰিকা আদিৰ লগতে আন বহুগৰাকী ন-পুৰণি শিল্পীয়ে তেওঁলোকৰ কণ্ঠেৰে বেজবৰুৱাৰ গীতসমূহ সজীৱ কৰি ৰাখিছে। সংখ্যাত তাকৰ হ’লেও বেজবৰুৱাৰ সৃষ্টি এই উচ্চমানৰ গীত আৰু গীতি-কবিতা অসমীয়া সাহিত্য সংস্কৃতিৰ এটা উল্লেখযোগ্য সম্পদ।

গ্ৰন্থপঞ্জী ঃ

১। বেজবৰুৱা—সমগ্ৰ, সম্পাদক ঃ সত্যকাম বৰঠাকুৰ আৰু অজয় কুমাৰ ভট্টাচাৰ্য, প্ৰেমানন্দ ন্যাস (২০১৫)

২। লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ (১৯৬৮)

৩। বেজবৰুৱাৰ প্ৰতিভা, অসম সাহিত্য সভা (১৯৬৮)

৪। জ্যোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ (২০১৭)

৫। ৰসৰাজ বেজবৰুৱা, শশী শৰ্মা, দত্তবৰুৱা এণ্ড কোম্পানি (১৯৬৭)

ঠিকনা ঃ কেন্দুগুৰি, যোৰহাট-৭৮৫০১০, ফোন ঃ ৯৭০৬২২৪৫৫০